# বিচাৰাধীন কয়দী পুনৰীক্ষণ কমিটীসমূহ আৰু আপুনি

## বিচাৰাধীন কয়দী পুনৰীক্ষণ কমিটীসমূহ কি?

এখন বিচাৰাধীন কয়দী পুনৰীক্ষণ কমিটী (UTRC) হ'ল জিলা পৰ্য্যায়ৰ এটা নিকায় যিটো উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে গঠন কৰা হৈছিল 2015 চনৰ এপ্ৰিল মাহত। প্ৰতি তিনিমাহত অন্ততঃ এবাৰকৈ কয়দীসকলৰ গোচৰসমূহৰ পুনৰীক্ষণ কৰিবলৈ এই কমিটীক অধিকাৰ প্ৰদান কৰি থোৱা আছে। যোগ্যতাসম্পন্ন গোচৰসমূহ পুনৰীক্ষণ কৰি উঠি, এই কমিটিয়ে প্ৰতিটো গোচৰত কয়দীসকলক মুকলি কৰি দিয়াকে ধৰি সংশ্লিষ্ট আদালতলৈ যথোপযুক্ত অনুমোদনাৱলী আগবঢ়ায়।

## এই কমিটীৰ সদস্যসকল কোন কোন?

জিলাখনৰ জ্যেষ্ঠতম ন্যায়িক বিষয়াৰ নেতৃত্বাধীন এইখন হ'ল এটা পাঁচ-সদস্যৰ কমিটী। ইয়াত তলত দিয়াসকল সদস্য হিচাপে থাকেঃ

- জিলা আৰু সত্ৰ ন্যায়াধীশ – চেয়াৰমেন
- জিলা দণ্ডাধীশ – সদস্য
- সচিব, DLSA – সদস্য
- জিলাখনৰ আটাইবোৰ কাৰাগাৰৰ ভাৰপ্ৰাপ্ত বিষয়া – সদস্য (সকল)
- পুলিচ অধীক্ষক – সদস্য

## কমিটীয়ে কেনেকৈ কাম কৰে?

1 **প্ৰস্তুতিঃ** কাৰাগাৰ অধীক্ষকে আটাইবোৰ কয়দীৰ তালিকাখন জিলা বৈধ সেৱা প্ৰাধিকৰণৰ সচিবলৈ প্ৰেৰণ কৰে, যিগৰাকীয়ে তাৰপাছত সোঁহাতৰ বাকচত দিয়া মানদণ্ড অনুসাৰে যোগ্যতাসম্পন্ন কয়দীসকলৰ এখন তালিকা প্ৰস্তুত কৰে।

2 **বৈঠকঃ** জিলা আৰু সত্ৰ ন্যায়াধীশে সেইখন বৈঠকত পৌৰোহিত্য কৰে যিখন বৈঠকত কমিটীৰ সদস্যসকলে সংক্ষিপ্ত তালিকাত সন্নিবিষ্ট গোচৰসমূহৰ পুনৰীক্ষণ কৰে আৰু যথোপযুক্ত অনুমোদনাৱলী আগবঢ়ায়।

3 **অনুমোদনাৱলী আৰু কাৰ্য্যব্যৱস্থাঃ** কমিটীৰ অনুমোদনাৱলী নথিবদ্ধ কৰা হয় আৰু সমূহ সদস্যৰ মাজত বিতৰণ কৰা হয়, আৰু সংশ্লিষ্ট আদালতসমূহলৈ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হয়।

4 **পৰৱৰ্তী কাৰ্য্যব্যৱস্থাঃ** কমিটীয়ে ইয়াৰ পৰৱৰ্তী বৈঠকসমূহত ইয়াৰ অনুমোদনাৱলীৰ সন্দৰ্ভত কি কাৰ্য্যব্যৱস্থা লোৱা হৈছে তাৰ পুনৰীক্ষণ কৰে, আৰু প্ৰতিটো গোচৰৰ স্থিতি নথিবদ্ধ কৰে।

## আপোনাৰ গোচৰটো যদি কমিটীয়ে পুনৰীক্ষণ কৰিছে তেন্তে তাৰ অৰ্থ এইটো হ'ব নেকি যে আপোনাক মুকলি কৰি দিয়া হ'ব?

নহয়, আপোনাৰ গোচৰটো যদি কমিটীয়ে পুনৰীক্ষণ কৰিছে, বা য'ত কমিটীয়ে এটা অনুমোদন দিছে তাৰ অৰ্থ এইটো নহয় যে আপোনাক মুকলি কৰি দিয়া হ'ব। ইয়াৰ বাবে আপোনাৰ অধিবক্তাই আদালতত এখন আবেদন দাখিল কৰিবলগীয়া হ'ব পাৰে। মুকলি কৰি দিয়াৰ চূড়ান্ত সিদ্ধান্ত ল'ব সংশ্লিষ্ট আদালতে, য'ত আপোনাৰ বিচাৰ চলি আছে। আপোনাৰ গোচৰটো কি স্থিতিত আছে, কি অনুমোদন দিয়া হৈছে আৰু এই সন্দৰ্ভত কি অগ্ৰগতি লাভ কৰা হৈছে সেই কথা আপুনি কাৰাগাৰ বিষয়া বা আপোনাৰ অধিবক্তাক সুধিব পাৰে।

## আপোনাৰ গোচৰটো যদি ইতিপূৰ্বে বিবেচনা কৰা হৈছে সেইটো পুনৰ বিবেচনাৰ বাবে ল'ব পৰা যায়নে?

যায়, কমিটীয়ে একাধিকবাৰ গোচৰবোৰ বিবেচনাৰ বাবে লোৱাত কোনো বাধা নাই। আপোনাৰ গোচৰত যদি কমিটীয়ে কোনো অনুমোদন দিয়া নাছিল বা সংশ্লিষ্ট আদালতে/কৰ্তৃপক্ষই যদি কমিটীৰ অনুমোদন অগ্ৰাহ্য কৰিছে, তেন্তে আপোনাৰ গোচৰটো কমিটীয়ে আকৌ পুনৰীক্ষণৰ বাবে ল'ব পাৰে।

## আপুনি যদি অপৰাধী ঘোষিত হৈছে, তেতিয়াও UTRC এ আপোনাৰ গোচৰটো পুনৰীক্ষণৰ বাবে ল'ব পাৰেনে?

পাৰে, UTRC এ আপোনাৰ গোচৰটো পুনৰীক্ষণ কৰিব পাৰে যদিহেঃ

i) আপুনি আপোনাৰ শাস্তি সম্পূৰ্ণ কৰিছে, বা

ii) আপোনাক মুকলি কৰি দিয়াৰ যোগ্য ক্ষমাদানৰ বাবে

আপোনাক কিয় মুকলি কৰি দিয়া হোৱা নাই কমিটীয়ে তাৰ খবৰ কৰিব পাৰে আৰু আপোনাৰ মুক্তি সুনিশ্চিত কৰিবলৈ যথোপযুক্ত কাৰ্য্যব্যৱস্থাৰ অনুমোদন দিব পাৰে।

## আপোনাৰ গোচৰটো কমিটীৰ বিবেচনাৰ বাবে যোগ্য হয়নে নহয় সেই কথা জানিবলৈ আপুনি কাৰ কাষ চাপিব পাৰে?

কিবা সংশয় বা প্ৰশ্ন থাকিলে আপুনি আপোনাৰ অধিবক্তাৰ লগত কথা পাতিব পাৰে বা আপোনাৰ অধিবক্তাৰ লগত কথা পাতিবলৈ আপোনাৰ পৰিয়ালৰ সদস্যসকলক ক'ব পাৰে বা কাৰাগাৰ ভ্ৰমণ কৰিবলৈ অহা অধিবক্তাক বা কাৰাগাৰ বৈধ সাহায্য ক্লিনিকত থকা অৰ্ধন্যায়িক স্বেচ্ছাসেৱকক সুধিব পাৰে।

## আপুনি যদি এগৰাকী বিচাৰাধীন কয়দী হয় আৰুঃ

- আপুনি যদি নগণ্য অপৰাধত অভিযুক্ত হয় য'ত সৰ্বাধিক শাস্তি 2 বছৰৰ অধিক নহয়; বা (নগণ্য অপৰাধৰ ভিতৰত পৰিব পাৰে লঘু অপৰাধ যিবোৰত শাস্তি হিচাপে এটা সৰু জৰিমনা বা কেইমাহমানৰ কাৰাদণ্ড বিহা হ'ব পাৰে)
- আপোনাৰ বয়স যদি 19 ৰ পৰা 21 বছৰৰ ভিতৰত থাকে আৰু আপুনি যদি এনে এটা অপৰাধত অভিযুক্ত য'ত সৰ্বাধিক শাস্তি* হয় সাত বছৰতকৈ কম আৰু আপুনি যদি অভিযোগ উঠা অপৰাধত দিহা দি থোৱা সৰ্বাধিক শাস্তিৰ ভাগ সম্পূৰ্ণ কৰিছে; বা
- আপুনি যদি চুৰি বা প্ৰতাৰণাকে ধৰি এটা নগণ্য অপৰাধত (ভাৰতীয় দণ্ড সংহিতাৰ 379, 380, 381, 404, 420 ধাৰা) বা সৰ্বাধিক 2 বছৰৰ শাস্তিৰ ব্যৱস্থা থকা এটা অপৰাধত অভিযুক্ত হয়; বা
- 60 DAYS — আপুনি যদি 60 দিনতকৈ অধিক কাল কাৰাগাৰত আছে যেতিয়া আপোনাৰ বিৰুদ্ধে অভিযোগ অনা অপৰাধটোত সৰ্বাধিক নিৰ্ধাৰিত শাস্তি 10 বছৰতকৈ কম হয় আৰু যদি এতিয়াও অভিযোগনামা দাখিল কৰা হোৱা নাই; বা
- 90 DAYS — আপুনি যদি 90 দিনতকৈ অধিক কাল কাৰাগাৰত আছে যেতিয়া আপোনাৰ বিৰুদ্ধে অভিযোগ অনা অপৰাধটোত সৰ্বাধিক নিৰ্ধাৰিত শাস্তি 10 বছৰ বা ততোধিক হয় আৰু যদি এতিয়াও অভিযোগনামা দাখিল কৰা হোৱা নাই; বা
- 180 DAYS — আপুনি যদি 180 দিনতকৈ অধিক কাল কাৰাগাৰত আছে যেতিয়া ব্যৱসায়িক পৰিমাণ লগত ৰখাৰ কাৰণে আপোনাৰ বিৰুদ্ধে স্নাপক ঔষধি আৰু মনঃপ্ৰভাৱী পদাৰ্থ অধিনিয়ম, 1985 ৰ অধীনত এটা অপৰাধৰ অভিযোগ অনা হৈছে আৰু যদি এতিয়াও অভিযোগনামা দাখিল কৰা হোৱা নাই; বা
- যদি আপোনাৰ বিৰুদ্ধে অভিযোগ অনা অপৰাধটোৰ বাবে সৰ্বাধিক শাস্তি হিচাপে মৃত্যুদণ্ডৰ ব্যৱস্থা নাই আৰু সৰ্বাধিক শাস্তিৰ আধাখিনি কাল আপুনি যদি সম্পূৰ্ণ কৰিছে; বা
- 7 — যদি আপোনাৰ বিৰুদ্ধে "জামিনযোগ্য অপৰাধ *ৰ অভিযোগ অনা হৈছে আৰু আপোনাক যদি 7 দিনতকৈ অধিক কাল আটক কৰি থোৱা হৈছে; বা (জামিনযোগ্য অপৰাধৰ অধীনত, জমানতৰ ধন জমা কৰি অভিযুক্তৰ জামিন লাভ কৰাৰ অধিকাৰ আছে)
- যদি আপোনাক এটা "দণ্ডাধীশৰদ্বাৰা বিচাৰযোগ্য জামিনবিহীন অপৰাধত* অভিযুক্ত কৰা হৈছে আৰু সাক্ষ্য অভিলেখবদ্ধ কৰা প্ৰথমটো তাৰিখৰ 60 দিনৰ ভিতৰত যদি আপোনাৰ বিচাৰ সম্পূৰ্ণ হোৱা নাই; বা (সাধাৰণতে 3 বছৰতকৈ কম সৰ্বাধিক শাস্তিৰ ব্যৱস্থা নথকা অপৰাধসমূহ দণ্ডাধীশৰদ্বাৰা বিচাৰযোগ্য হয়)
- আইনৰ অধীনত যদি আপোনাৰ গোচৰটো সংযোজিত কৰিব পৰা যায়; বা (সংযোজনসাধ্য অপৰাধবোৰ হয় সাধাৰণতে অনা-গুৰুতৰ প্ৰকৃতিৰ য'ত 2 বছৰতকৈ কম কাৰাদণ্ডৰ ব্যৱস্থা থাকে। ফৌজদাৰী দণ্ড সংহিতাৰ ধাৰা 320 ত সংযোজনসাধ্য অপৰাধবোৰৰ তালিকা দিয়া হৈছে)
- আপুনি যদি অসুস্থ বা দুৰ্বল হয় আৰু আপোনাক বিশেষীকৃত চিকিৎসাৰ প্ৰয়োজন হৈছে; বা
- আপুনি যদি বিক্ষিপ্ত মনৰ হয় বা মানসিক অসুস্থতাত ভুগি আছে; বা
- আপোনাক যদি আদালতৰদ্বাৰা জামিন প্ৰদান কৰা হৈছে কিন্তু জমানতৰ ধন দাখিল কৰিবলৈ আপুনি অক্ষম; বা
- আপোনাক যদি ফৌজদাৰী দণ্ড সংহিতাৰ ধাৰা 107, 108, 109 বা 151 ধাৰাৰ অধীনত আটক কৰি থোৱা হৈছে; বা
- যদি আপুনি এগৰাকী মহিলা হয়।

*ফৌজদাৰী দণ্ড সংহিতাত (Cr.P.C.) "অপৰাধসমূহৰ শ্ৰেণীবিভাজন" শিৰোনামৰ প্ৰথম অনুসূচীৰ অধীনত "জামিনযোগ্য অপৰাধ", "সৰ্বাধিক শাস্তি", "দণ্ডাধীশৰদ্বাৰা বিচাৰযোগ্য গোচৰ" ইত্যাদিৰ অপৰাধ অনুসাৰে তথ্য দিয়া হৈছে। আপোনাৰ বিৰুদ্ধে অভিযোগ অনা অপৰাধটো বিচাৰাধীন কয়দী পুনৰীক্ষণ কমিটীৰ পুনৰীক্ষণৰ যোগ্য হয়নে নহয় সেই কথা বুজি পোৱাত সহায় কৰিবলৈ আপুনি PLV বা কাৰাগাৰ ভ্ৰমণত অহা অধিবক্তাক অনুৰোধ কৰিব পাৰে।

**আপোনাৰ গোচৰটো আপোনাৰ জিলাৰ বিচাৰাধীন কয়দী পুনৰীক্ষণ কমিটীৰ পুনৰীক্ষণৰ বাবে যোগ্য হ'ব।**

CHRI
Commonwealth Human Rights Initiative
working for the *practical* realisation of human rights in the Commonwealth

**Commonwealth Human Rights Initiative**
3rd Floor, 55A, Siddhartha Chambers, Kalu Sarai, New Delhi - 110 016
Tel: + 91-11-43180200, +91-11-43180221 (Direct) Fax: +91-11-43180217
Email: info@humanrightsintiative.org. Website: www.humanrightsinitiative.org